**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং ২৫১**
**উত্তৰ দিয়াৰ তাৰিখ-২৮-০৭-২০২৬**

**বিষয়ঃ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ**

**শ্ৰী পুলক গোহাঁই, বিধায়ক**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

তিনিচুকীয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত অংগনৱাড়ী কেন্দ্ৰসমূহ নিৰ্মাণৰ পিছত অতি সুন্দৰ হোৱা পৰিলক্ষিত হৈছে। এই কেন্দ্ৰসমূহত সীমাবেৰ আৰু জপনা নথকাৰ বাবে কোনো জীৱ-জন্তুৱে যাতে কদৰ্য্যময় পৰিবেশ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে বিভাগে সীমাবেৰ আৰু জপনা নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা হাতত লৈছে নেকি ? জনাব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

অংঙ্গনবাড়ী কেন্দ্ৰ সমূহৰ সীমা আৰু জপনা বেৰৰ নিৰ্মাণৰ বাবে পূঁজি আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ Plan and Estimate ত ধাৰ্য্য কৰা হোৱা নাই। যদিও কোনো কোনো জিলাত আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰৰ বাবে ধাৰ্য কৰা পূঁজিৰ বাহিৰ পৰা সংশ্লিষ্ট ALCC কমিটিয়ে অঙ্গনবাড়ী কেন্দ্ৰৰ সীমা বেৰ নিৰ্মাণ কৰা দেখা যায়।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

*****************